**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 11-07-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কালি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি হাতী-মানুহৰ সংঘাত হোৱা আঠখন জিলা ক্ৰমে গোৱালপাৰা, ওদালগুৰি, নগাঁও, বাক্সা, শোণিতপুৰ, গোলাঘাট, যোৰহাট আৰু বিশ্বনাথত গজমিত্ৰ আঁচনি ৰূপায়ণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। এই আঁচনিৰ অধীনত প্ৰভাৱিত গাঁওসমূহত সম্প্ৰদায় ভিত্তিত স্বেচ্ছাসেৱী নিৰীক্ষণ আৰু দ্ৰুত সঁহাৰি গোট গঠনৰ প্ৰস্তাৱ দিয়া হৈছে। এই গোটসমূহ আঠজনীয়া হ'ব। ইয়াৰ উপৰি বনৰীয়া হাতীয়ে যাতে পৰ্যাপ্ত খাদ্য লাভ কৰে সেই উদ্দেশ্যে হাতী-মানুহৰ অধিক সংঘাত হোৱা স্থানসমূহত বাঁহ গছ, নেপিয়াৰ ঘাঁহ আদি ৰোপণ কৰা হ'ব।

মন্ত্ৰীসভাই পহিলা অক্টোবৰৰ পৰা প্ৰযোজ্য হোৱাকৈ গাঁও প্ৰধানসকলৰ দৰমহা বৰ্তমানৰ ৯ হাজাৰ টকাৰ পৰা ১৪ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। বনাঞ্চলৰ গাঁৱৰ গাঁও প্ৰধানসকলেও এই বৰ্ধিত দৰমহা লাভ কৰিব। ২০২৫-২৬ বৰ্ষৰ বাজেটত কৰা ঘোষণা অনুযায়ী এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মন্ত্ৰীসভাই ৰাজ্যৰ বিভিন্ন সত্ৰত বাস কৰা উদাসীন ভকতসকলক মাহিলী বৃত্তি হিচাপে পোন্ধৰশ টকাৰ বিত্তীয় সাহায্য আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলৰ পাৰিতোষিক ক্ৰমে আঠ হাজাৰ আৰু চাৰি হাজাৰ টকালৈ বৃদ্ধিত অনুমোদন দিয়া হৈছে।

মন্ত্ৰীসভাই পহিলা নৱেম্বৰৰ পৰা ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলক শিক্ষা সামগ্ৰী ক্ৰয়ৰ বাবে প্ৰতি মাহে ৩০০ টকাকৈ প্ৰদানৰ উদ্দেশ্যে প্ৰেৰণা আঁচনি ৰূপায়ণতো অনুমোদন জনাইছে।

কালিৰ বৈঠকত সৰ্থেবাৰীৰ কাঁহ শিল্পীসকলে প্ৰদান কৰা জি এছ টিৰ ৰাজ্য চৰকাৰৰ অংশ ওভোতাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাই ব্যক্তিগত চিকিৎসালয়ৰ বিৰুদ্ধে কেতবোৰ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চিকিৎসা ব্যয় পৰিশোধ কৰিব নোৱাৰা কোনো ব্যক্তিৰ মৃতদেহ ব্যক্তিগত চিকিৎসালয় কৰ্তৃপক্ষই পৰিয়ালৰ লোকক গতাই নিদিয়াকৈ থাকিব নোৱাৰিব। চিকিৎসালয় কৰ্তৃপক্ষই মৃতদেহ ওভোতাই দিবলৈ অস্বীকাৰ কৰিলে তেনে লোকৰ পৰিয়ালে ১০৪ নম্বৰত ফোন কৰি অথবা স্থানীয় থানাত অৱগত কৰিলে আৰক্ষীয়ে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহে এটা মৃতদেহ চাৰি ঘণ্টাতকৈ অধিক সময় আৱদ্ধ কৰি ৰাখিলে তেনে চিকিৎসালয়ৰ অনুজ্ঞাপত্ৰ তিনি মাহৰ পৰা ছমাহলৈ বাতিল কৰা হ'ব আৰু ৫ লাখ টকা পৰ্যন্ত জৰিমণা বিহা হ'ব।

ইয়াৰ উপৰি মন্ত্ৰীসভাই হোজাইত ৰবীন্দ্ৰ নাথ টেগৰ ইউনিভাৰ্ছিটীৰ নাম ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয় নামেৰে নামকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে মন্ত্ৰীসভাই লখিমপুৰ জিলাৰ মৰনৈ-বেবেজীয়া আৰু বেবেজীয়া নামৰ গাঁও দুখন জনজাতীয় আবেষ্টনী আৰু উন্নয়ন খণ্ডৰৰ আওতাৰ পৰা মুক্ত কৰাৰ সিদ্ধান্ত লয়। ১ লাখতকৈ অধিক জনসংখ্যা থকা পৌৰসভাসমূহত অভিযন্তা পদ সৃষ্টিৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়।

00000000

দুদিনীয়া ভ্ৰমণসূচীৰে কাৰ্বি আংলঙলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বুজ লোৱাৰ উদ্দেশ্যে জিলাখনৰ কেইবাটাও অঞ্চল ভ্ৰমণ কৰিব। তেওঁ ডিফু চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগৰ লংনিত, মহংডিজুৱা আৰু মাঞ্জাত জলজীৱন মিছন আৰু অন্যান্য উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ বুজ ল'ব। উল্লেখযোগ্য যে, ৰাজ্যপালগৰাকীয়ে কালি কাৰ্বি আংলঙত উপস্থিত হৈ জিলাখনৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সৈতে মত বিনিময় কৰে। পদ্মশ্ৰী সন্মানপ্ৰাপক, আগশাৰীৰ খেলুৱৈ, সমাজকৰ্মী আৰু স্বাধীনতা সংগ্ৰামীসকলৰ সৈতে হোৱা মত বিনিময়ত ৰাজ্যপালগৰাকীয়ে কয়, যে প্ৰকৃত উন্নয়নে আন্তঃগাঁথনিগত প্ৰগতিকে নহয়, বৰং ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰকো সূচায়। তেওঁ কয়, যে উন্নয়নৰ সৈতে পৰম্পৰা, ভাষা আৰু সংস্কৃতিক বৰ্তাই ৰাখিলেহে প্ৰকৃত আৰু অৰ্থবহ প্ৰগতি সম্ভৱপৰ হৈ উঠে। পাছত ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাং, কাৰ্যবাহী সদস্য আৰু পৰিষদৰ মুখ্য অংশীদাৰসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যপালগৰাকীয়ে তেওঁলোকক অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়।

00000000

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য পৰিৱৰ্তন প্ৰকল্প তথা অসম গ্ৰাম্য আন্তঃগাঁথনি আৰু কৃষি সেৱা সমিতিৰ জৰিয়তে ৰূপায়ণ কৰা প্ৰকল্প সন্দৰ্ভত আলোচনা কৰা হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত আয়োজিত এই আলোচনাত যোৰহাট হাঁহচৰাত উন্নতমানৰ চাউলৰ প্ৰসংস্কৰণৰ বাবে সাধাৰণ সুবিধা কেন্দ্ৰ স্থাপন সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। সভাত যোৰহাট জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহা প্ৰবন্ধকৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

0000000

গোলাঘাট জিলাৰ নুমলীগড়ৰ বিষ্ণুপুৰ তিনিআলিত নিশা এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন এজন লোক গুৰুতৰভাৱে আহত হয়। নুমলীগড় শোধনাগাৰত কৰ্মৰত আৰজু তকবি আৰু সোণ তকবি নামৰ দুজন লোক মটৰ চাইকেলেৰে ঘৰলৈ গৈ থকা অৱস্থাতে পিছফালৰ পৰা এখন বাহনে খুন্দা মৰাত এই দুৰ্ঘটনাটো সংঘটিত হয়। স্থানীয় ৰাইজে আঘাতপ্ৰাপ্ত দুয়োজন লোকক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যায় যদিও কিছু সময়ৰ পাছতে আৰজু তকবি নামৰ লোকজন মৃত্যুমুখত পৰে।

0000000

**সমাপ্ত**